# ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ নিৰ্বাচন
# ২০১৯-২০ বৰ্ষ

**লিংড' কমিটিৰ প্ৰতিবেদন তথা উচ্চতম ন্যায়ালয়ৰ ৰায় সাপেক্ষে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰ-ছাত্ৰীসকলে নিম্নলিখিত নিৰ্বাচনী বিধি মানি চলাটো বাধ্যতামূলক**

২৮-০৮-২০১৯

## নিৰ্বাচনী বিধি

১। কোনো প্ৰাৰ্থীয়ে মহাবিদ্যালয়ৰ গৃহৰ দেৱাল বা চৌপাশে থকা দেৱালত প'ষ্টাৰ লগাব নোৱাৰিব।

২। মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰত কোনো প্ৰাৰ্থীয়ে প্ৰচাৰৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত নিজৰ নাম সন্নিৱিষ্ট কাৰ্ড বিতৰণ কৰিব নোৱাৰিব। কোনো প্ৰাৰ্থীয়ে যদি তেনে কাৰ্য কৰে তেনেহ'লে প্ৰাৰ্থীগৰাকীৰ প্ৰৰ্থিত্ব বাতিল কৰা হ'ব।

৩। ভোটদান কৰিবলৈ অহাৰ সময়ত ভোটদাতা ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ৰ ইউনিৰ্ফম পিন্ধি অহাটো বাধ্যতামূলক। ইউনিৰ্ফম পৰিধান নকৰা কোনো ছাত্ৰ-ছাত্ৰীক ভোটদান কৰিবলৈ দিয়া নহ'ব। তেনে ক্ষেত্ৰত নিৰ্বাচনী উপদেষ্টা পৰিষদে (Election Advisory Board) কোনো ওজৰ-আপত্তি গ্ৰহণ নকৰিব।

৪। নিৰ্বাচনৰ সফল পৰিসমাপ্তি আৰু মহাবিদ্যালয়ৰ সামগ্ৰিক পৰিৱেশ শান্তিপূৰ্ণ কৰি ৰখাৰ স্বাৰ্থত নিৰ্বাচনৰ দিনা ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীসকলৰ বাহিৰে আন কোনো লোকক মহাবিদ্যালয় চৌহদত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। এই নীতি কাৰ্যকৰী কৰিবৰ উদ্দেশ্যে জিলা প্ৰশাসনৰ সহায় লোৱা হ'ব। কোনো লোকে জৰুৰী কাৰণত মহাবিদ্যালয়ৰ কোনো লোকক লগ কৰিবলৈ বিচাৰিলে উপযুক্ত প্ৰমাণ প্ৰদৰ্শন কৰিব লাগিব।

৫। ভোট গণনা কক্ষত প্ৰতিজন প্ৰাৰ্থীৰ কেৱল দুজনকৈ প্ৰতিনিধি উপস্থিত থাকিব পাৰিব। প্ৰতিনিধি কেইজনে ভোট গণনা কক্ষত প্ৰৱেশ কৰাৰ সময়ত প্ৰাৰ্থীয়ে দিয়া নিযুক্তি পত্ৰ নিৰ্বাচনী উপদেষ্টা পৰিষদ (Election Advisory Board) ক জমা দিব লাগিব। তেনে নিযুক্তি পত্ৰ নোহোৱা কোনো ব্যক্তিক প্ৰতিনিধি হিচাপে গ্ৰহণ কৰা নহ'ব। প্ৰাৰ্থী বা প্ৰাৰ্থীৰ প্ৰতিনিধৰ বাহিৰে আন কোনো লোকক ভোট গণনা কক্ষত বাহিবলৈ অনুমতি দিয়া নহ'ব। কোনো ছাত্ৰ-ছাত্ৰীয়ে এই বিধি উলংঘা কৰিলে তেনে ছাত্ৰ-ছাত্ৰীৰ ওপৰত অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

৬। **নিৰ্বাচনী বিধি উলংঘা কৰা ছাত্ৰ-ছাত্ৰীৰ ওপৰত আইনগত অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব।**

## জাননী

১। ৩১ আগষ্ট, ২০১৯ ৰ পুৱা ৮ বজাৰ পৰা ৯ বজালৈকে আহি ভোট (Mock Poll) প্ৰদৰ্শন কৰা হ'ব। সেই সময়ত সকলো প্ৰাৰ্থীকে ভোটদান কক্ষত উপস্থিত থাকিবলৈ জনোৱা হ'ল।

২। ৩১ আগষ্ট, ২০১৯ ৰ পুৱা ৯ বজাত প্ৰকৃত ভোটদান প্ৰক্ৰিয়া আৰম্ভ হ'ব আৰু বিয়লি ২ বজাত বন্ধ হ'ব।

৩। বৈধ ভোটাৰৰ তালিকা জাননী ফলক (Notice Board) ত প্ৰদৰ্শন কৰা হ'ব। সেয়ে ভোটদান কৰিবলৈ অহাৰ পূৰ্বে ভোটদাতা ছাত্ৰ-ছাত্ৰীসকলে জাননী ফলকত নিজৰ ৰোল নম্বৰ ভোটাৰ তালিকাৰ কোন পৃষ্ঠাত আছে চাই আহিব লাগিব।

৪। ভোটদাতা ছাত্ৰ-ছাত্ৰীসকলে ভোটদান কৰিবলৈ আহোঁতে নিজৰ পৰিচয় পত্ৰ লগত আনিব লাগিব।

৫। ৩১ আগষ্ট, ২০১৯ ৰ বিয়লি ৩ বজাত ভোট গণনা প্ৰক্ৰিয়া আৰম্ভ হ'ব।

(ড° শশীকান্ত শইকীয়া)
ৰিটাৰ্নিং বিষয়া
ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা নিৰ্বাচন, ২০১৯-২০ বৰ্ষ

28/8/19